# অসম আদিত্য

৯ ব'হাগ, ১৯৪৬ শক ■ দেওবাৰ, ১২ মে', ২০২৪ ■ Asom Aditya, Dibrugarh, Sunday, May 12, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ


বিশেষ প্ৰতিনিধি, মাৰ্ঘেৰিটা, ১১ মে' ঃ মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্থাৰ সহযোগত মাৰ্ঘেৰিটা কলেজৰ প্লেচমেণ্ট চেলৰ উদ্যোগত আজি মহাবিদ্যালয়ৰ প্ৰাংগণত 'কেম্পাছ নিযুক্তি ড্ৰাইভ' অনুষ্ঠিত হয়। বিশেষকৈ বেংক প্ৰতিষ্ঠানসমূহত শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক নিযুক্তি দিয়াৰ উদ্দেশ্যে অনুষ্ঠিত আজিৰ অনুষ্ঠানত অৰ্ধশতাধিক শিক্ষিত যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অন্যহাতে, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অতনু কাকতিৰ সৈতেও প্ৰাক্তন শিক্ষাৰ্থী সন্থা সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্যসকলৰ উপস্থিত মহাবিদ্যালয়খনৰ কেইবাটাও আন্তঃগাঁথনি সম্পৰ্কীয় আৰু দীৰ্ঘদিন ধৰি মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাটো অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ আওতালৈ ননা বিষয়টো কিদৰে সমাধান কৰিব পাৰি সেই সন্দৰ্ভতো আলোচনা কৰা হয়। আজি ৮ পৃষ্ঠাত

## অধ্যাপিকা ৰূপালীম ঠাকুৰৰ অকাল বিয়োগ

### ডিএইচএছ কানৈ কলেজত শোকাকুল পৰিৱেশ



ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ মে' ঃ দুদিনৰ আগলৈকে সকলোৱে মাজত হাঁহি মাতি থকা, পৰীক্ষাৰ ৯ পৃষ্ঠাত

## ... ড° প্ৰণয় ফুকনৰ ... বিহুৰে ... নি চাপৰি

... প্ৰাণৰ উৎসৱ ফাট বিহু উপলক্ষে ... চাৰিকড়িয়া নৈৰ পাৰৰ ম'হঘুলি ...ল-মাখল হৈ পৰে। ফাট বিহুৰ তলীত ...লি ৰোপণেৰে আজি দ্বিতীয় ৬ পৃষ্ঠাত

## সামগ্ৰী চাফা কৰিবলৈ অহা

# অসম আদিত্য

ব'হাগ, ১৯৪৬ শক ■ দেওবাৰ, ১২ মে', ২০২৪ ■ Asom Aditya, Dibrugarh, Sunday, May 12, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা




## অধ্যাপিকা ৰূপালীম ঠাকুৰৰ অকাল

গুৰুদায়িত্ব চম্ভালি থকাৰ মাজতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা, সৰবৰহী, জনপ্ৰিয় অধ্যাপিকা ৰূপালীম ঠাকুৰৰ স্বস্থা হস্পিতালত সকলোকে কন্দুৱাই আজি নিশা প্ৰায় ১.৩০ বজাত আকস্মিক বিয়োগ ঘটে। ৰূপালীম ঠাকুৰৰ এনে আকস্মিক বিয়োগৰ খবৰ পাই মহাবিদ্যালয়খনৰ পৰিয়ালৰ লগতে ডিব্ৰুগড় চহৰত গভীৰ শোকৰ ছাঁ পৰে। ১৯৬৮ চনৰ ১৩ ফেব্ৰুৱাৰীত দেৰগাঁৱত জন্মগ্ৰহণ কৰা ৰূপালীম ঠাকুৰে দেৰগাঁও টাউন গাৰ্লছ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰি ১৯৯৬ চনৰ ১৮ জুলাইত কানৈ মহাবিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপিকা হিচাপে যোগদান কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৬ বছৰ। মহাবিদ্যালয়খনৰ সাংস্কৃতিক বিভাগৰ লগতে অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ দায়িত্বও সুচাৰুৰূপে পালন কৰা ৰূপালীম ঠাকুৰে ২০১১ৰ পৰা ২০১৫ চনলৈ আৰু ২০১৮ৰ পৰা ২০১৯ চনলৈ দুবাৰকৈ বিভাগৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। সাহিত্য সভা, মহিলা সমিতিৰ স'তে জড়িত হৈ থকা ৰূপালীম ঠাকুৰে সাহিত্য, সংগীত, নাটক, নৃত্য, খেল ইত্যাদি ভাল পাইছিল আৰু মহাবিদ্যালয়খনৰ সকলো দিশতে নিৰন্তৰে সেৱা আগবঢ়াইছিল। ডিব্ৰুগড় ডেভেলপমেণ্ট এৰিয়াত নিগাজীকৈ থকা ৰূপালীম ঠাকুৰে স্বামী অশোক কুমাৰ শৰ্মা, পুত্ৰ তাপস শৰ্মা, কন্যা অন্তৰা শৰ্মাকে ধৰি অনেক আত্মীয়-স্বজনক এৰি গৈছে। উল্লেখ্য যে ৰূপালীম ঠাকুৰৰ মৃতদেহ মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰাৰ লগে লগে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ৰূপালীম ঠাকুৰৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত ৰূপালীম ঠাকুৰৰ পূৰ্বৰ সহকৰ্মী তথা বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপিকা ড° পল্লৱী ডেকা বুজৰবৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ তথা কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ৰঞ্জন চাংমাই, কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ তৰফৰ পৰা সভাপতি ড° চন্দনা গোস্বামী, সম্পাদক ড° উত্তম মোহন, অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা তথা ছাত্ৰ-ছাত্ৰী আৰু গুণমুগ্ধ ৰাইজে অধ্যাপিকাগৰাকীলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰিয়ালৰ তৰফৰ পৰা জনোৱা অনুসৰি ৰূপালীম ঠাকুৰ পেংকাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ কাৰণে চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও নিশাৰ ভাগত তেওঁৰ শাৰীৰিক অসুস্থতা অধিক অৱনমিত হোৱাত আইচিইউলৈ স্থানান্তৰিত কৰা হৈছিল কিন্তু সুস্থ শৰীৰে তেওঁ পুনৰবাৰ আমাৰ মাজত উপস্থিত হোৱাৰ পৰিৱৰ্তে ইহলীলা সম্বৰণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ পৌৰোহিত্যত সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা শোক সভাত প্ৰয়াত ৰূপালীম ঠাকুৰৰ আত্মাৰ সদগতি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।



৫

মাধৱদেৱৰ কলাক্ষেত্ৰই অনুষ্ঠিত কৰি যোৱা মহাপুৰুষ মাধৱদেৱৰ বিৰচিত নাট (ঝুমুৰা) প্ৰশিক্ষণ কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। বিগত জুলাইলৈকে প্ৰায় ৭০ খন চৰকাৰী, বেচৰকাৰী বিদ্যালয়ৰ ৫০০ ছাত্ৰ-ছাত্ৰীক ৬ মাধৱদেৱৰ ৰচিত নাট ঝুমুৰাসমূহৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। প্ৰশিক্ষণ কৰ্মশালা মাধৱদেৱৰ নাট ঝুমুৰাসমূহক প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব প্ৰদান কৰি নাৰায়ণপুৰ, প বিহপুৰীয়া, শিমলুগুৰি আৰু ধলপুৰ শংকৰদেৱ শিশু বিদ্যা নিকেতন এই ৬ স্থানত হৈছিল। ১০ বছৰ বয়সৰ পৰা ১৭ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা ক অৰ্জুন ভঞ্জন, ভুমি লেটোৱা, পিম্পৰা গুচোৱা, কোটোৱা খেলা, চোৰধৰা কেউখন নাট ঝুমুৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। ৩১ জুলাইত সামৰণি প্ৰশিক্ষাৰ্থীসকলক বৃহস্পতিবাৰৰ পৰা পৰ্যায়ক্ৰমে আনুষ্ঠানিকভাৱে প্ৰমাণ-পত্ৰ বি স্থানৰ প্ৰথমে নাৰায়ণপুৰ শিশু বিদ্যা নিকেতনত অনুষ্ঠিত হয় প্ৰমাণ-পত্ৰ বিতৰণী অ বিনোদ কৃষ্ণ শৰ্মাই আঁত ধৰা সভাখনত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শ প্ৰশিক্ষাৰ্থী আৰু কৰ্মশালাখনৰ সৈতে জড়িত প্ৰশিক্ষকসকলক প্ৰমাণ-প

## দক্ষিণ দলিজলীয়াত ৰঙালী

বিকাশ দাস, মুহি দাস, প্ৰফুল্ল দাসক মুখ্য সম্পাদকত্ৰয়, গজানন্দ অ সম্পাদক হিচাপে লৈ এখনি সবল সমিতি গঠন কৰা হয়। কাৰ্যসূচী পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আৰু বয়োজ্যেষ্ঠক হুঁচৰি প্ৰদৰ্শন কৰাৰ পিছতেই বৰ্তমান সমাজৰ পৰা হেৰাই যাবলৈ বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰা হ'ব। দুপৰীয়া মঞ্চ উদ্বোধনৰ পি প্ৰতিযোগিতা আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া সদৌ উপ-সভাপতি অভিৰ্বতন গোস্বামীয়ে বন্তি প্ৰজ্বলন কাৰ্যসূচী সমাপন কৰিবলগা মুকলি সভা, বঁটা বিতৰণী সভা আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠান অ

## বেবেজীয়াত নিৰুদ্দিষ্ট

পানীত শৰীৰৰ আধা অংশ সোমাই থকা অৱস্থাত উদ্ধাৰ কৰা হয় মৃতদে মতে, দুপৰীয়া মাছ মাৰিবলৈ অহা একাংশ মহিলাই প্ৰত্যক্ষ কৰে মৃতদেহটো। লাগে আৰু উক্ত স্থানত বহুলোকৰ সমাগম হয়। পিছত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰি